কৃষক ৰাইজলৈ গোহাৰি

আমাৰ এই ‘ঘৰে - পথাৰে’ পত্ৰিকাখনিৰ ই-সংস্কৰণ মুকলি কৰা হৈছে। গতিকে কৃষক ৰাইজে আমাৰ ৱেব চাইট www.aau.ac.in লগ অন কৰি ‘ঘৰে-পথাৰেৰ’ ই-সংস্কৰণৰ সুবিধা গ্ৰহণ কৰিব পাৰিব।

মুখ্য সম্পাদক
‘ঘৰে-পথাৰে’
সম্প্ৰসাৰণ শিক্ষা সঞ্চালকালয়
অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট

# ঘৰে-পথাৰে

পষেকীয়া কৃষি পত্ৰিকা

অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট


এই সংখ্যাত আছে -


| বিষয় | পৃষ্ঠা |
|---|---|
| ☐ তিচি আৰু গুজিতিলৰ বিজ্ঞান | ২ |
| ☐ আহিন মাহৰ সম্ভাব্য কীট- ... | ২ |
| ☐ ঘৰতে আলুৰ কঠীয়া উৎপাদনৰ | ২ |
| ☐ আমাৰ একাষাৰ .. .. | ৩ |
| ☐ মাহটোৰ কৃষিকৰ্ম .. .. .. | ৩ |
| ☐ উদ্যান শস্য .. .. .. | ৩ |
| ☐ পশুধন আৰু হাঁহ-কুকুৰাত .. | ৪ |



☐ ৪৩ তম্ বছৰ ☐ সংখ্যা ১৯ ☐ ১ অক্টোবৰ ২০২২ ☐ ১৬ - ৩০ আহিন , ১৯৪৪ শক ☐ মূল্য - ১.০০ টকা GHARE - PATHARE PMG - 19 of 2005 - 06


# জনজাতীয় স্বাধীনতা সংগ্ৰামীৰ তথ্যসমৃদ্ধ গ্ৰন্থ প্ৰকাশৰ প্ৰস্তুতি অসম কৃষি বিশ্ববিদ্যালয়ৰ

অসমৰ বিভিন্ন জনজাতিৰ অখ্যাত স্বাধীনতা সংগ্ৰামীৰ বিষয়ে গৱেষণালব্ধ গ্ৰন্থ প্ৰকাশ কৰিব অসম কৃষি বিশ্ববিদ্যালয়ে। ইতিমধ্যে জনসমাজৰ মাজত পৰিচিত নোহোৱা এই লোকসকলৰ তথ্যৰ জৰিয়তে জনগোষ্ঠীটোৰ বিষয়ে সৰ্বস্তৰৰ জনসাধাৰণে জনাৰ লগতে জাতীয় চেতনাৰে উজ্জীৱিত কৰাৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। যোৱা ৭ ছেপ্তেম্বৰ তাৰিখে অসম কৃষি বিশ্ববিদ্যালয়ৰ যোৰহাট চৌহদত ‘ভাৰতৰ স্বাধীনতা সংগ্ৰামত জনজাতি নায়কৰ যোগদান’ শীৰ্ষক বিষয়ত অনুষ্ঠিত প্ৰদৰ্শনীৰ শুভাৰম্ভণী অনুষ্ঠানত এই বিষয়ে প্ৰকাশ কৰে অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকাই। ৰাষ্ট্ৰীয় অনুসূচীত জনজাতি আয়োগৰ উদ্যোগত উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হৈছে এই প্ৰদৰ্শনী। ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় অনুসূচীত জনজাতি আয়োগৰ নতুন দিল্লীৰ যুটীয়া সচিব কনথাং টৌথাঙে ভাষণত কয় যে জনজাতিসকলৰ অধিকাৰৰ ৰক্ষাৰ বাবে সাংবিধানিকভাৱে ব্যৱস্থা আছে। বাহ্যিক দায়বদ্ধতাৰে এইসকলে কেনেকৈ উন্নতি কৰিব এই বিষয়ত জনজাতি আয়োগে কাম কৰি আহিছে। অসম কৃষি বিশ্ববিদ্যালয় আৰু ৰাষ্ট্ৰীয় অনুসূচীত জনজাতি আয়োগৰ উদ্যোগত অনুষ্ঠিত অনুষ্ঠানটোত কাৰ্বি আংলং কৃষি বিজ্ঞান কেন্দ্ৰৰ মূৰব্বী ড° সুবল মাইবাংচাই জনজাতি লোকসকলৰ স্বাধীনতা সংগ্ৰামত অৱদানৰ ওপৰত বক্তব্য আগবঢ়ায়। কল্যাণ আশ্ৰম, অসমৰ যুটীয়া সম্পাদক নিত্য ৰঞ্জন দলেই বক্তব্য ৰখা অনুষ্ঠানটোত জনজাতীয় স্বাধীনতা সংগ্ৰামীৰ বিষয়ৰ গৱেষক তথা লামডিং মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ড° বন্দিতা টেৰণপীয়ে দৃশ্যশ্ৰাব্য উপস্থাপনেৰে পৰিচিত আৰু অখ্যাত স্বাধীনতা সংগ্ৰামীৰ বিষয়ত ভাষণ আগবঢ়ায়। অনুষ্ঠানত ৰাষ্ট্ৰীয় অনুসূচীত জনজাতি আয়োগৰ এটা ভিডিঅ’ প্ৰদৰ্শন



*‘ভাৰতৰ স্বাধীনতা সংগ্ৰামত জনজাতি নায়কৰ যোগদান’ শীৰ্ষক বিষয়ত অনুষ্ঠিত প্ৰদৰ্শনীৰ শুভাৰম্ভণী অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকা, ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় অনুসূচীত জনজাতি আয়োগৰ নতুন দিল্লীৰ যুটীয়া সচিব কনথাং টৌথাঙৰ লগতে অসম কৃষি বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগৰ বিশিষ্ট ব্যক্তিসকল*


*(৪ পৃষ্ঠাৰ ৫ কলমত চাওক)*


# সাংসদ আৰু বিধায়কৰ ধেমাজি কৃষি বিজ্ঞান কেন্দ্ৰ পৰিদৰ্শন

যোৱা ২৫ ছেপ্তেম্বৰ তাৰিখে লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা আৰু জোনাই বিধানসভা সমষ্টিৰ বিধায়ক ভুবন পেগুৱে চিমেন চাপৰিস্থিত ধেমাজি কৃষি বিজ্ঞান কেন্দ্ৰৰ চৌহদ পৰিদৰ্শন কৰি ফল-মূল বাগিছাত মধুৰিআম, লিচু আৰু আমপুলি ৰোপণ কৰাৰ উপৰি চৌহদৰ সৌন্দৰ্য বৰ্দ্ধনৰ লগতে জলসিঞ্চন আৰু কাৰ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বিভিন্ন পৰিকল্পনাৰ বিষয়ে অৱগত কৰে। দুয়োগৰাকীয়ে জিলাখনৰ কৃষি আৰু আনুসংগিক ক্ষেত্ৰখনৰ উন্নয়নৰ লগতে কৃষকসকলৰ কল্যাণৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। সাংসদ আৰু বিধায়ক গৰাকীৰ পৰিদৰ্শনকালত ধেমাজি মাণ্ডলিক বন প্ৰাধিকৰণ বিষয়া ৰোহিনী কুমাৰ দাস, মিচিং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য মলেন্দ্ৰ নাৰ্জাৰীৰ লগতে কেবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। দুয়োগৰাকীয়ে কেন্দ্ৰটোৰ সমূহ বিজ্ঞানী, বিষয়া-কৰ্মচাৰীৰ লগত মত বিনিময় কৰি কেন্দ্ৰটোৰ উন্নয়নৰ বাবে কেইবাটাও উল্লেখযোগ্য পৰামৰ্শ আৰু প্ৰতিশ্ৰুতি আগবঢ়ায়।

# চৰকাৰৰ অভিলাসী আঁচনিৰ অধীনত ‘অমৃত সৰোবৰ’ নিৰ্মাণৰ পৰিকল্পনা

চৰকাৰে হাতত লোৱা অভিলাসী আঁচনি অমৃত সৰোবৰ নিৰ্মাণ পৰিকল্পনাৰ অধীনত অসম কৃষি বিশ্ববিদ্যালয়ৰ ১.৫ হেক্টৰ ভূমিত নিৰ্মাণ হ’বলগীয়া আঁচনিৰ যোৱা ১৭ ছেপ্তেম্বৰ তাৰিখে শুভাৰম্ভ কৰা হয়। অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট চৌহদৰ উদ্যান বিজ্ঞান বিভাগৰ ভূমিত এই আঁচনি গ্ৰহণ কৰা হৈছে। ৪৯ নং নামনি চৰাইবাহী গাওঁ পঞ্চায়তৰ ১০ নং ৱাৰ্ডৰ অন্তৰ্গত ৰূপায়ণ হ’বলগীয়া এই আঁচনিৰ শুভাৰম্ভ কৰে যোৰহাটৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মনে। এই অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক তপন কুমাৰ গোহাঁই, কৃষি বিজ্ঞানগুৰু ড° জয়ন্ত ডেকা, সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° প্ৰসন্ন কুমাৰ পাঠক, ছাত্ৰ কল্যাণ সঞ্চালক ড° ৰাণা প্ৰতাপ ভূএগ, মহাগাণনিক ড° নিলোৎপল বৰঠাকুৰ, উদ্যান বিজ্ঞান বিভাগৰ মূৰব্বী অধ্যাপক ড° উৎপল কটকীৰ লগতে পঞ্চায়তৰ বিষয়ববীয়া সকল উপস্থিত থাকে।





**কৃষি বিজ্ঞান কেন্দ্ৰ, দৰং ঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত দৰং কৃষি বিজ্ঞান কেন্দ্ৰতো চৰকাৰৰ এই অভিলাসী আঁচনি অমৃত সৰোবৰ নিৰ্মাণ পৰিকল্পনা আঁচনিৰ অধীনত যোৱা ১৭ ছেপ্তেম্বৰ তাৰিখে এটি অমৃত সৰোবৰ নিৰ্মাণৰ শুভাৰম্ভণি কৰা হয়। এই উদ্দেশ্যে আয়োজিত এক


*(৪ পৃষ্ঠাৰ ৪ কলমত চাওক)*


অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰত

# পোষণ অভিযানৰ সজাগতা অনুষ্ঠান সম্পন্ন

যোৱা ১৭ ছেপ্তেম্বৰ তাৰিখে পোষণ মাহ ২০২২ ৰ লগত সংগতি ৰাখি যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত আৰু জিলা সমাজ কল্যাণ বিভাগ, যোৰহাটৰ সহযোগত এখন সজাগতা সভা অনুষ্ঠিত হৈ যায়। জিলাখনৰ বিভিন্ন অঞ্চলৰ অংগনৱাড়ী কৰ্মী, সহায়িকা, মহিলা আৰু কিশোৰীকে ধৰি শতাধিক লোকে অংশ লোৱা অনুষ্ঠানটোত বিশিষ্ট ব্যক্তি হিচাবে ‘আটাৰি’ গুৱাহাটীৰ সঞ্চালক ড° ৰাজেশ কুমাৰে অংশ গ্ৰহণ কৰে। কেন্দ্ৰটোৰ জ্যেষ্ঠ বিজ্ঞানী তথা মূৰব্বী ড° সঞ্জয় বৰঠাকুৰে আদৰণী ভাষণ আগবঢ়োৱা অনুষ্ঠানটোত কেন্দ্ৰটোৰ সামূহিক বিজ্ঞান বিভাগৰ বিষয়বস্তু বিশেষজ্ঞা ড° সুস্মিতা খাটনিয়াৰে গৰ্ভৱতী আৰু প্ৰসূতি মাতৃসকলৰ পৰিপুষ্টিৰ প্ৰয়োজনীয়তা আৰু পৰিপুষ্টি বাগিছাৰ আৰ্হি প্ৰস্তুতকৰণ, শাক-পাচলিৰ নিৰ্বাচন, যতন আদি বিষয়ত বক্তব্য আগবঢ়ায়। প্ৰশিক্ষণত উপস্থিত থকা সকলোকে এটা শাক-পাচলিৰ বীজৰ টোপোলা আৰু এটাকৈ ফলৰ পুলি প্ৰদান কৰা হয়।

# তিচি আৰু গুজিতিলৰ বিজ্ঞানসন্মত কৃষি প্ৰণালী

কৃষিৰ ওপৰত নিৰ্ভৰ কৰিয়েই অসমৰ অৰ্থনৈতিক বুনিয়াদ গঢ় লৈ উঠিছে। ধান অসমৰ প্ৰধান খাদ্য শস্য। অসমে ধান উৎপাদনৰ ক্ষেত্ৰত বহু পৰিমাণে সফলতা লাভ কৰিব পাৰিছে যদিও তৈলবীজৰ উৎপাদনৰ ক্ষেত্ৰত আশা কৰা ধৰণে সফলতা লাভ কৰিব পৰা নাই। তৈলবীজৰ সৰ্বভাৰতীয় গড় উৎপাদনৰ তালিকাত অসমৰ স্থান নিম্ন পৰ্য্যায়ৰ। আমাৰ ৰাজ্যখনে ভাৰবৰ্ষৰ তৈলবীজ উৎপাদনৰ শতকৰা এভাগ বৰঙণিহে যোগায়। অসমত তৈলবীজৰ মাটিকালি আৰু উৎপাদন বৃদ্ধি কৰাৰ প্ৰচুৰ সম্ভাৱনা আছে। ২০০৫-০৬ চনত অসমত তৈলবীজৰ উৎপাদন হৈছিল ১.১৭ লাখ মেট্ৰিক টন। কিন্তু ২০১০-১১ চনত অসমে ১.৫৮ লাখ মেট্ৰিক টন উৎপাদন কৰি অসমৰ অৰ্থনীতি যথেষ্ট উন্নত কৰে। আশা কৰা হৈছে ২০১৪-১৫ চনত অসমে প্ৰায় ৩.৪৪ লাখ মেট্ৰিক টন তৈলবীজ উৎপাদন কৰিবলৈ সক্ষম হ'ব। সেয়ে অসমৰ কৃষকক তেলজাতীয় শস্যৰ কৃষিকাৰ্য্যৰ প্ৰতি আগ্ৰহান্বিত কৰিব পাৰিলে তৈলবীজৰ উৎপাদনৰ ক্ষেত্ৰত অসমে যথেষ্ট অগ্ৰগতি লাভ কৰিব পাৰিব। তৈলবীজ বুলিলে অসমত তিল, গুজিতিল, তিচি, সৰিয়হ আদিৰ কথাকে বুজা যায়। এই নিবন্ধত তিচি আৰু গুজিতিলৰ উন্নত কৃষি পদ্ধতিৰ বিষয়ে আলোচনা কৰা হ'ব।

**মাটি নিৰ্বাচন ঃ** প্ৰায় সকলো ধৰণৰ মাটিতে তিচি আৰু গুজিতিলৰ খেতি কৰিব পৰা যায় যদিও সমান, ওখ, পলসুৱা বালিচহীয়া আৰু বালিয়া মাটি অধিক উপযোগী। তিচি আৰু গুজিতিল সিঁচিবৰ বাবে মাটিডৰা ৩-৪ বাৰ হালবাই মৈয়াই সমান কৰি ল'ব লাগে। মাটিডৰা মিহি হ'বলৈ কমেও দুবাৰ মৈ দিব লাগে।

**জাত নিৰ্বাচন ঃ** যিকোনো শস্যৰ পৰা অধিক উৎপাদন আশা কৰিবলৈ হ'লে অধিক উৎপাদনক্ষম আধুনিক জাত ব্যৱহাৰ কৰিবই লাগিব। অসমৰ কৃষি জলবায়ুৰ উপযোগীকৈ নিৰ্বাচন কৰা তিচিৰ উন্নত জাত হৈছে টি-৩৯৭, কেশৰ, পদ্মিনী, আৰ এ, চি-১৫৩। এই কেইবিধ জাতৰ কৃষিকাল হৈছে ১৩০-১৩৫ দিন আৰু উৎপাদন ৮-১০ কুইণ্টল/হেক্টৰ। ৰিলে শস্যৰ উপযোগী জাত দুবিধ হৈছে পদ্মিনী আৰু শেখৰ। তিচিৰ পৰা ৪৪ শতাংশ তেল পোৱা যায়।

গুজিতিলৰ বাবে অসম কৃষি বিশ্ববিদ্যালয়ে অনুমোদন জনোৱা জাতসমূহ হৈছে - স্থানীয় (এন জি-১), জি এ-৫ আৰু কে ই চি-৩। এই জাতসমূহৰ কৃষিকাল ১০০ ৰ পৰা ১১০ দিন। উৎপাদন প্ৰতি হেক্টৰত ৫ কুইণ্টল।

**বীজ সিঁচাৰ সময় ঃ** তিচি আৰু গুজিতিল এইদুয়োবিধ তেলজাতীয় শস্যৰ সিঁচাৰ সময় হৈছে অক্টোবৰ মাহৰ মাজভাগৰ পৰা নবেম্বৰ মাহৰ মাজভাগ। অৰ্থাৎ কাতি মাহেই বীজ সিঁচাৰ বাবে উত্তম সময়। দুয়োবিধ শস্যৰ ক্ষেত্ৰতে সময়মতে বীজ সিঁচাত গুৰুত্ব দিব লাগে।

**বীজৰ পৰিমাণ আৰু সিঁচা পদ্ধতি ঃ** তিচিৰ বাবে হেক্টৰে প্ৰতি ১৫-২০ কিঃগ্ৰাঃ বীজেই যথেষ্ট। বীজ সিঁচোতে শাৰীৰ মাজত ৩০ ছেঃমিঃ আৰু গছৰ মাজত ১৮ ছেঃমিঃ ব্যৱধান ৰাখিব লাগে। গুজিতিলৰ ক্ষেত্ৰত শাৰীবদ্ধ প্ৰণালীত সিঁচিলে হেক্টৰে প্ৰতি ৮ কিঃগ্ৰাঃ (বিঘাই প্ৰতি ১.১ কিঃগ্ৰাঃ) বীজৰ প্ৰয়োজন হয়। আনহাতে বীজ এনেয়ে সিঁচি দিলে হেক্টৰে প্ৰতি ১২ কিঃগ্ৰাঃ অৰ্থাৎ বিঘাই প্ৰতি ১.৫ কিঃগ্ৰাঃ বীজৰ দৰকাৰ হয়। গুজিতিল শাৰীবদ্ধ প্ৰণালীত সিঁচিবৰ বাবে ২৫ ছেঃমিঃ আঁতৰে আঁতৰে ৫ ছেঃমিঃ দকৈ লোৰ খান্দি ল'ব লাগে। প্ৰতিটো লোৰত ৩-৫ ছেঃমিঃ গভীৰত বীজবোৰ সিঁচি লোৰ বিলাকত মৈয়াই দিব লাগে। প্ৰতিজোপা গছৰ মাজত যাতে ৫-৭ ছেঃমিঃ দূৰত্ব থাকে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। সিঁচাৰ পিছত লোৰবিলাক মাটিৰে ঢাকি দিলে গুটিবোৰ সোনকালে আৰু সমানভাৱে গজালি ওলাব।

**উৰ্বৰা পৰিচালন ঃ** তেলজাতীয় শস্যৰ বাবে ৰাসায়নিক সাৰ প্ৰয়োগ কৰাটো প্ৰয়োজনীয়। তিচিৰ বাবে বিঘাই প্ৰতি ১২ কিঃগ্ৰাঃ ইউৰীয়া, ১৮ কিঃগ্ৰাঃ একক চুপাৰ ফচফেট আৰু ২ কিঃগ্ৰাঃ মিউৰেট অৱ পটাছ সাৰ প্ৰয়োগ কৰিব লাগে। গুজিতিলৰ ক্ষেত্ৰত বিঘাইপ্ৰতি ৬ কিঃগ্ৰাঃ ইউৰীয়া, ৯ কিঃগ্ৰাঃ একক চুপাৰ ফচফেট আৰু ২ কিঃগ্ৰাঃ মিউৰেট অৱ পটাছ সাৰৰ প্ৰয়োজন হয়। বীজ সিঁচাৰ আগয়ে সমুদায় সাৰ মাটিত প্ৰয়োগ কৰিব লাগে অৰ্থাৎ শেষৰবাৰ হাল বোৱাৰ সময়ত সমুদায় সাৰ মাটিত প্ৰয়োগ কৰি ভালদৰে মিহলাই দিব লাগে।

**বন-বাত নিয়ন্ত্ৰণ ঃ** তিচি সিঁচা মাটিডৰাত বন-বাতৰ প্ৰকোপ দেখিলে নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিব লাগে। তিচিৰ গুটি সিঁচাৰ ২০-২৫ দিনৰ পিছতেই এবাৰ বন-বাত নিৰণি কৰি দিলে উৎপাদন আশা কৰা মতে পোৱা যায়।

**শস্য চপোৱা ঃ** তিচি সিঁচাৰ ৪ মাহ মানৰ পাছতেই গছবিলাক শুকাই যায় আৰু গছৰ পৰা পাতবোৰ সৰিবলৈ আৰম্ভ কৰে। সেই সময়তে তিচি চপাবলৈ যো-জা কৰিব লাগে। গুজিতিলৰ পাতবিলাক শুকাই ক'লা হ'বলৈ আৰম্ভ কৰিলে গম পাব যে চপোৱাৰ সময় হৈ গ'ল। সেই সময়ত গুটি/ফলবিলাকো ক'লা বৰণ লয়। তেতিয়াই গুজিতিল চপাই অনাৰ ব্যৱস্থা কৰিব লাগে।

**ড° ৰণজিৎ কুমাৰ সাউদ**

# আহিন মাহৰ সম্ভাব্য কীট-পতংগৰ ব্যৱস্থাপনা

◆ বৰ্তমান সময়খিনিত কৃষকৰ পথাৰত শুৰপোকৰ লগতে এন্দুৰৰ আক্ৰমণ পৰিলক্ষিত হ'ব পাৰে। তদুপৰি নেমুটেঙাত ৰঙাচাঁহি আৰু গ্ৰীষ্মকালীন শাক-পাচলিত বৰলীয়া পোকৰ উপদ্ৰৱ পৰিলক্ষিত হ'ব পাৰে। ফুলৰ পৰিমাণ কমাৰ বাবে মৌমাখিৰ যতন লোৱাৰো প্ৰয়োজন।

◆ এই সময়ছোৱাত কৃষকসকল শুৰপোকৰ আক্ৰমণৰ বিৰুদ্ধে সতৰ্ক হোৱা উচিত। কীটনাশক প্ৰয়োগ কৰিলে শুৰপোক জাক পাতি আন পথাৰলৈ পলায়ণ কৰিব পাৰে। সেয়েহে পথাৰৰ মাজত কীটনাশক ছতিওৱাৰ আগতে, পথাৰৰ চৌপাশে পাউদাৰজাতীয় কীটনাশক (মালাথিয়ন ৫%/ কুউনলফচ১.৫%/ ক্লৰ'পাইৰিফচ ১%) ৩-৪ কিঃগ্ৰাঃ প্ৰতি বিঘা মাটিৰ আলিবোৰত প্ৰয়োগ কৰিব লাগে। পথাৰৰ চৌপাশে কীটনাশক প্ৰয়োগ কৰাৰ পাছত, কুইনলফচ ২৫ ইচি/ক্লৰ'পাইৰিফচ ২০ ইচি/মন'ক্ৰটফচ ৩৬ এচ এল এই কেইটা কীটনাশকৰ যিকোনো এটাৰ ২ মিঃলিঃ প্ৰতি লিটাৰ পানীত মিহলাই, ধাননিৰ মাজত প্ৰয়োগ কৰা উচিত। ৰাসায়নিক কীটনাশক ব্যৱহাৰ কৰা পথাৰত বা কাষত গৰু-ছাগলী-হাঁহ আদি চৰিবলৈ দিয়া অনুচিত।

◆ সাধাৰণতে ঘৰ আৰু ভঁৰালৰ পৰা, ধানৰ পোখা মেলাৰ সময়ত, ধাননিলৈ এন্দুৰৰ প্ৰব্ৰজন ঘটে আৰু এন্দুৰে বিশেষকৈ ধাননি পথাৰৰ মাজৰ আলি, বান্ধ, জলসিঞ্চনৰ নলা, পথাৰৰ মাজৰ ৰাস্তা আদিত অৱস্থান কৰি থিতাপি লয়। পথাৰৰ আলি আৰু চৌপাশে য'ত-ত'ত গজা অপতৃণসমূহক চিকুণাই পৰিষ্কাৰ কৰা আৱশ্যক। সজীৱ এন্দুৰৰ গাঁত দেখিলেই নিয়ন্ত্ৰণৰ ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন। কম পৰিসৰত নিয়ন্ত্ৰণৰ বাবে লোৰ ফান্দ বা বাঁহৰ চিটিকা, এন্দুৰৰ সজীৱ গাঁতৰ সন্মুখত বা অহা যোৱা কৰা পথত সংস্থাপন কৰিব লাগে। অধিক মাত্ৰাত এন্দুৰ নিয়ন্ত্ৰণৰ বাবে ২.৫% জিংক ফচফাইড টোপ প্ৰয়োগ কৰি সুফল পাব পাৰি। ইয়াৰ বাবে, প্ৰথমতে ৯৬০ গ্ৰাম খুদ চাউলৰ লগত ২০ গ্ৰাম মিঠাতেল মিহলাই লৈ তাৰে ২০-৩০ গ্ৰাম এন্দুৰৰ গাঁতৰ মুখত দুদিন মানৰ কাৰণে থৈ এন্দুৰৰ ভয়ভাৱ গুচাই তৃতীয় দিনা ওপৰোক্ত একেই পৰিমাণৰ চাউল আৰু মিঠাতেলৰ লগত ২০ গ্ৰাম জিংক ফচফাইড ছটিয়াই বাঁহৰ মাৰিৰে ভালদৰে সানি তাৰপৰা ১০-১৫ গ্ৰামকৈ বাঁহৰ চুঙা, কলপটুৱা, মলা আদিত দি গধূলি এন্দুৰৰ গাঁতৰ মুখত বা এন্দুৰ অহা-যোৱা কৰা পথত ৰাখিব লাগে।

◆ এই সময়ছোৱাত নেমুটেঙাৰ পাতত ৰঙা চাঁহিৰ আক্ৰমণ পৰিলক্ষিত হয়। আক্ৰান্ত পাতবোৰ হালধীয়া মুগা বৰণৰ হৈ পাছলৈ শুকাই সৰি পৰিব পাৰে। ইয়াক নিয়ন্ত্ৰণৰ বাবে ৩ মিঃলিঃ নিমাজল প্ৰতি লিটাৰ পানীত মিহলাই স্প্ৰে কৰিব লাগে। গছত ফল নলগা পৰ্য্যন্ত চাঁহিনাশক প্ৰপাৰজাইট ৫৭ ইচি দৰৱৰ এক চাহচামোচ প্ৰতি ৫ লিটাৰ পানীত মিহলাই ১৫ দিনৰ অন্তৰালত দুবাৰ প্ৰয়োগ কৰক।

◆ বৰ্ত্তমান বাৰিষা আৰম্ভ হোৱাৰ লগে লগে প্ৰকৃতিত ফুলৰ সংখ্যা কমি যোৱাৰ ফলত মৌমাখিৰ বাবে প্ৰয়োজনীয় মৌ আৰু ৰেণুৰ অভাৱ ঘটে। গতিকে মৌবাহবোৰ সবল কৰি ৰাখিবলৈ কৃত্ৰিম আহাৰ যেনে - ২০০ গ্ৰাম গোটা মগু ৰাতিটো তিয়াই থৈ ৰাতিপুৱা ৰস উলিয়াই, ইয়াক এক লিটাৰ পানীত ৫০০ গ্ৰাম চেনিৰে সৈতে মিহলাই খাবলৈ দিয়া বাঞ্চনীয়। এনে কৃত্ৰিম আহাৰ প্ৰতি সপ্তাহৰ অন্তৰালত বৰযুণৰ মাত্ৰাৰ ওপৰত ভিত্তি কৰি প্ৰয়োগ কৰা যুগুত। এতিয়া কেতবোৰ ঠাইত মৌমাখিৰ পলু শেতা পৰি মৰি যোৱা দেখা গৈছে যাক 'থ্ৰাইছেক ব্ৰুড' নামৰ এবিধ ভাইৰাছজনিত বেমাৰ বোলা হয়। এই বেমাৰ পৰিলক্ষিত হ'লে ৰোগীয়া মৌবাহ, নিৰোগীবোৰৰ পৰা প্ৰায় ৩০০ মিটাৰ নিলগলৈ নি প্ৰতি লিটাৰ কৃত্ৰিম আহাৰৰ লগত 'অক্সিটেট্ৰাচাইক্লিন' নামৰ ঔষধবিধৰ একোটা টেবলেট মিহলাই মৌমাখিক ভক্ষণ কৰালে সুফল পাব পাৰি।

◆ লাওজাতীয় শস্যত বৰলীয়া পোকৰ আক্ৰমণ দেখা যাব পাৰে। বৰলীয়া পোকৰ গাভিনী মাইকীজনীয়ে লাওজাতীয় ফলত ডিম্ব প্ৰসৱ কৰে আৰু ইয়াৰ পূৰ্ণাংগবোৰে ফলৰ ৰস, ফুলৰ নিৰ্য্যাস, চৰাইৰ বিষ্ঠা আদিক খাদ্য ৰূপে গ্ৰহণ কৰি খেতিৰ কাষত থকা বিভিন্ন অপতৃণবোৰত আশ্ৰয় লয়। গতিকে অপতৃণসমূহ নিৰাই পৰিষ্কাৰ কৰি ৰখা অতি প্ৰয়োজনীয়। হেঁদালিৰ কাষত ফেৰমন ফান্দ (কিউ লিউৰ বা মিথাইল ইউগিনলযুক্ত) স্থাপন কৰি সুফল পাব পাৰি। ইয়াৰ বাবে প্ৰতি বিঘা মাটিত ৫ টাকৈ ফান্দ ব্যৱহাৰ কৰক। বৰলীয়া পোকৰ আক্ৰমণৰ বাবে গেলি যোৱা ফলসমূহ ছিঙি দূৰলৈ নি ধ্বংস কৰা প্ৰয়োজন, কিয়নো হেঁদালিৰ তলত এইবোৰ মাটিত সৰি পৰিলে, ইয়াৰ পৰা পলু ওলাই মাটিৰ তলত লেটা হৈ আকৌ লেটাৰ পৰা বৰলীয়া পোকৰ পূৰ্ণাংগ ওলাই আহি লাওজাতীয় শস্যৰ ফলত কণী পাৰিব। এইদৰে জীৱন-চক্ৰ আগুৱাই গৈ গৈ পাচলিৰ বহু অনিষ্ট কৰিব। তদুপৰি, বৰলীয়া পোকৰ বিৰুদ্ধে ২ মিঃলিঃ মালাথিয়ন ৫০ ইচি আৰু ১০ গ্ৰাম গুড় প্ৰতি লিটাৰ পানীত মিহলাই এই দ্ৰৱণক লাওজাতীয় গছৰ পাতৰ তলপিঠিত ছটিয়াই সুফল পাব পাৰি। এই দ্ৰৱণ মাটি চাকিত ভৰাই হেঁদালিৰ বিভিন্ন স্থানত স্থাপন কৰিলেও যথেষ্ট সুফল পাব পাৰি। অৱশ্যে ধোঁৱা প্ৰয়োগৰ দ্বাৰাও এই পোকক বিকৰ্ষিত কৰিব পাৰি।

আহিন মাহৰ বাবে প্ৰযোজ্য কৃষি বিষয়ক দিহা-পৰামৰ্শসমূহ, অসম কৃষি বিশ্ববিদ্যালয়ৰ বিশেষজ্ঞসকল যথাক্ৰমে ড° দিলীপ কুমাৰ শইকীয়া, ড° ৰাতুল কুমাৰ বৰা আৰু ড° ছাহিদুৰ ৰহমানে আগবঢ়ালে।

**ৰুদ্ৰ নাৰায়ণ বৰকাকতি**
**ড° দিলীপ কুমাৰ শইকীয়া**

# ঘৰতে আলুৰ কঠীয়া উৎপাদনৰ উপায়

◆ উচ্চ উৎপাদনক্ষম উন্নত মানৰ বীজ সংগ্ৰহ কৰক।

◆ অনুমোদিত জাতসমূহৰ ভিতৰত কুফ্ৰী জ্যোতি, কুফ্ৰী অশোকা, কুফ্ৰী সদাবাহাৰ, কুফ্ৰী গিৰিৰাজ, কুফ্ৰী হিমালিনী ইত্যাদি প্ৰধান।

◆ ভালদৰে চহাই জাবৰ-জোথৰ আঁতৰাই অক্টোবৰ মাহৰ দ্বিতীয় সপ্তাহতে বীজ সিঁচাৰ ব্যৱস্থা কৰক।

◆ বিঘাই প্ৰতি ৩৫ কিঃগ্ৰাঃ ইউৰীয়া, ৮৩ কিঃগ্ৰাঃ চুপাৰ ফচফেট আৰু ২২ কিঃগ্ৰাঃ মিউৰেট অৱ পটাছ সাৰ লগতে যথেষ্ট পৰিমাণৰ গোবৰ বা পচন সাৰ প্ৰয়োগ কৰক।

◆ শাৰীবদ্ধভাৱে দুটা শাৰীৰ ব্যৱধান ৬০ ছেঃমিঃ আৰু দুটা আলু বীজৰ ব্যৱধান ২০ ছেঃমিঃ হিচাপে ৰাখক।

◆ বীজ সিঁচাৰ এমাহ মানৰ পৰা গছৰ গুৰিলৈকে মাটি চপাবলৈ আৰম্ভ কৰক।

◆ প্ৰয়োজন সাপেক্ষে দুটা শাৰীৰ মাজৰ খলবিলাকত জলসিঞ্চন প্ৰয়োগ কৰক।

◆ ডিচেম্বৰ মাহৰ শেষৰফালে লেটব্লাইট ৰোগ প্ৰতিৰোধৰ বাবে ভেঁকুৰনাশক ব্যৱহাৰ কৰক।

◆ ইন্দফিল এম-৪৫ নামৰ ঔষধ ২.৫ গ্ৰাম প্ৰতি লিটাৰ পানীত মিহলাই পাতৰ তলে ওপৰে তিতি যোৱাকৈ স্প্ৰে কৰক।

◆ প্ৰথমবাৰ স্প্ৰে কৰাৰ পাছত অন্ততঃ ১০-১২ দিনৰ পাছত দ্বিতীয়বাৰ স্প্ৰে কৰক।

◆ এনেদৰে মুঠ ৬ বাৰ মান স্প্ৰে কৰাৰ প্ৰয়োজন হয়।

◆ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰা এফিদ নামৰ পতঙ্গবিধ নিয়ন্ত্ৰণ কৰিবৰ বাবে ক্লৰ'পাইৰিফ্চ নামৰ ঔষধ ১

(৪ পৃষ্ঠাৰ ৩ কলমত চাওক)

**আমাৰ একাষাৰ**

# মাহেকীয়া সমস্যা নিৰাময়ত আহাৰ

মাহেকীয়া হৈছে মহিলাসকলৰ শৰীৰৰ এক স্বাভাৱিক প্ৰক্ৰিয়া। কিন্তু মাহেকীয়াৰ লগত জড়িত কিছুমান সমস্যাই এই সময়ছোৱাক অতি কষ্টদায়ক আৰু বিৰক্তিময় কৰি তোলে। আজিৰ যুগ যিহেতু প্ৰতিযোগিতামূলক আৰু অত্যন্ত ব্যস্ত, গতিকে মহিলাসকল মাহেকীয়াৰ সময়ছোৱাত সকলো ফালৰ পৰাই সক্ৰিয় হৈ থাকিলেহে কৰ্মত মনোনিবেশ কৰিব পাৰিব। আহাৰ আমাৰ মৌলিক প্ৰয়োজন হোৱাৰ লগতে আমাৰ শৰীৰটো সুস্থ, সবল আৰু নিৰোগী কৰি ৰখাত অপৰিসীম ভূমিকা গ্ৰহণ কৰে। মাহেকীয়াৰ সময়ত দেখা দিয়া কিছুমান উপসৰ্গও আমাৰ দেহত কেতবোৰ প্ৰয়োজনীয় পুষ্টিদ্ৰব্যৰ অভাৱৰ বাবেও পৰিলক্ষিত হয়। এই লেখাটোত মাহেকীয়া সময়ত হোৱা কিছুমান সমস্যা আৰু সঠিক আহাৰ আৰু জীৱনধাৰণ প্ৰণালী গ্ৰহণ কৰি সেইসমূহৰ পৰা কেনেকৈ পৰিত্ৰাণ পাব পাৰি সেইবিষয়ে উল্লেখ কৰা হৈছে।

**অনিয়মিত মাহেকীয়া ঃ** বহুতো কাৰকৰ বাবে আপোনাৰ মাহেকীয়া অনিয়মীয়া হ'ব পাৰে। তলত অনিয়মিত মাহেকীয়াৰ কিছুমান সম্ভৱপৰ কাৰণ তলত উল্লেখ কৰা হ'ল ◆অত্যাধিক শাৰীৰিক পৰিশ্ৰম ◆অত্যাধিক ওজন বৃদ্ধি বা হ্ৰাস ◆অপুষ্টিকৰ খাদ্য ◆ধুমপান ◆কেফেইন ◆অত্যাধিক পৰিমাণে সুৰা সেৱন কৰিলে ◆মানসিক চাপত থাকিলে ◆পলিচিচ্টিক অভাৰিয়ান চিনড্ৰম হ'লে ◆জৰায়ুৰ বিসংগতি হ'লে ◆হৰমনৰ ভাৰসাম্য সঠিক নহ'লে ◆কেমথেৰাপি গ্ৰহণ কৰিলে ◆সন্তান জন্মৰ ঠিক পাছত ◆গৰ্ভ নষ্ট হ'লে ◆স্তন পান কৰালে

**প্ৰাকৃতিকভাৱে কেনেকৈ অনিয়মিত মাহেকীয়াক নিয়মিত কৰিব ?**

◆আহাৰৰ মান উন্নত কৰক। কিয়নো পুষ্টিকৰ আহাৰেই প্ৰধানকৈ সুস্বাস্থ্য গঠনত সহায় কৰে। দৈনিক চাউল, দাইল আৰু পাচলিৰে সমৃদ্ধ আহাৰ খাওক। এনে আহাৰে আপোনাৰ শৰীৰৰ বাবে প্ৰয়োজনীয় পুষ্টিদ্ৰব্য যেনে - শৰ্কৰা, প্ৰটিন, ভিটামিন আৰু খনিজ লৱণ যোগান ধৰিব।বতৰৰ ফল-মূল যথেষ্ট পৰিমাণে খাওক আৰু কম পৰিমাণে পৰিশোধিত শৰ্কৰা গ্ৰহণ কৰক।

◆ কেলছিয়াম, মেগনেছিয়াম আৰু মাছৰ তেলৰ ছাপ্লিমেণ্ট গ্ৰহণ কৰক।

◆দৈনিক মজলীয়া ধৰণৰ শাৰীৰিক কামত নিজকে নিয়োগ কৰক, ই আপুনি যদি বৰ্তমান অত্যাধিক পৰিশ্ৰম বা অতি কম পৰিমাণে শাৰীৰিক পৰিশ্ৰম কৰি আছে সেইটো সলনি কৰাত সহায় কৰিব।

◆মানসিকভাৱে সুখী হৈ থাকিবলৈ চেষ্টা কৰক। দৈনিক ব্যায়াম কৰক।

◆ধুমপান আৰু সুৰাপান নকৰিব।

**মাহেকীয়াৰ সময়ত হোৱা সিৰামূৰীৰ পৰা হাত সাৰিবলৈ -**

ক) দৈনিক শাৰীৰিক ব্যায়াম কৰক। ই আপোনাৰ শৰীৰত তেজ আৰু অক্সিজেনৰ সঞ্চালন বৃদ্ধি কৰিব।

খ) মাংস, চেনী, গাখীৰ আৰু চৰ্বিযুক্ত আহাৰ নাখাব।

গ) বহুত পৰিমাণে সতেজ সেউজীয়া শাক-পাচলি, গোটা মাহ, বাদাম খাওক।

ঘ) চাহ আৰু কফি নাখাব, ই ৰক্তনলীকাবোৰত চাপ বৃদ্ধি কৰে আৰু টেনচন বঢ়ায়।

ঙ) ধ্যান কৰক, ই আপোনাৰ মনলৈ প্ৰশান্তি অনাত সহায় কৰিব।

চ) আপোনাৰ কৰ্মব্যস্ততাৰ মাজতে নিজৰ বাবে অলপ সময় উলিয়াওক।

আমাৰ শৰীৰৰ হৰমনসমূহ মূলতে খাদ্য আৰু পুষ্টিৰ ওপৰতেই নিৰ্ভৰ কৰে। প্ৰাক্-ঋতুকালীন সমস্যা আৰু মাহেকীয়াৰ সময়ত হোৱা সিৰামূৰি কোনো ৰোগ নহয়, ই মাথোন পুষ্টিহীনতাৰহে লক্ষণ। গতিকে সঠিক খাদ্য গ্ৰহণৰ দ্বাৰা এই লক্ষণসমূহ নাইকিয়া কৰিব পাৰি।

**অত্যাধিক ৰক্তস্ৰাৱ ঃ** কিছুমান মহিলাই অত্যাধিক ৰক্তস্ৰাৱৰ সমস্যাত ভোগা দেখা যায়। ইয়াৰ ফলত মহিলাসকলৰ স্বাভাৱিক কাম-কাজ সুচাৰুৰূপে চলাই নিয়াত অসুবিধা হয়। যদিও বহুতো কাৰকৰ বাবে অত্যাধিক ৰক্তস্ৰাৱ হ'ব পাৰে তথাপিও ভিটামিন 'এ' আৰু খনিজ লৱণ, আইৰণৰ অভাৱৰ বাবেও মহিলাসকলৰ অত্যাধিক ৰক্তস্ৰাৱ হ'ব পাৰে।

**তলত দিয়া ভিটামিন আৰু খনিজলৱণযুক্ত খাদ্য দৈনন্দিন আহাৰত অন্তৰ্ভূক্ত কৰি মাহেকীয়াৰ লগত জড়িত প্ৰায়বোৰ সমস্যাৰ পৰাই হাত সাৰিব পাৰি -**

◆শৰীৰত কেলছিয়ামৰ অভাৱ ঘটিলেও প্ৰাক্-ঋতুকালীন সমস্যাই দেখা দিব পাৰে। গতিকে চিকিৎসকৰ পৰামৰ্শ লৈ কেলছিয়ামৰ ছাপ্লিমেণ্ট ব্যৱহাৰ কৰাৰ লগতে আহাৰতো কেলছিয়ামযুক্ত খাদ্য অন্তৰ্ভূক্ত কৰি এই সমস্যাৰ পৰা হাত সাৰিব পাৰি। কেলছিয়ামযুক্ত কেইবিধমান খাদ্য হৈছে - গাখীৰ আৰু গাখীৰৰ পৰা তৈয়াৰী খাদ্য, সেউজীয়া শাক-পাচলি, মাহজাতীয় খাদ্য ইত্যাদি।

◆ দেহত আইৰণৰ অভাৱ হ'লে অত্যাধিক ৰক্তস্ৰাৱ হ'ব পাৰে, আনহাতে আইৰণৰ অভাৱত আৰু অত্যাধিক ৰক্তস্ৰাৱৰ ফলত শৰীৰত এনিমিয়া বা ৰক্তাল্পতা হয়। ইয়াৰ ফলত দেহত বহুতো আনুসংগিক সংস্যাই গা কৰি উঠে যেনে- ভাগৰ লগা, মূৰৰ বিষ, মূৰ ঘূৰণি, খাবলৈ মন নোযোৱা, শেতা পৰা, টোপনি নহা, *(৪ পৃষ্ঠাৰ ৪ কলমত চাওক)*

# মাহটোৰ কৃষিকৰ্ম্ম

## ১৫ কাতিৰ পৰা ১৫ আঘোণ, ১৯৪৪ শক

## পথাৰ শস্য

**ঘেঁহু ঃ**

১) মধ্য আৰু নামনি অসমৰ বাবে কাতি মাহৰ মাজ ভাগৰ পৰা আঘোণৰ শেহলৈ উপযুক্ত সময়।

২) উজনী অসম আৰু পাহাৰীয়া অঞ্চলৰ বাবে কাতি মাহৰ দ্বিতীয় পষেকৰ পৰা আঘোণৰ দ্বিতীয় পষেকলৈ।

৩) উত্তৰব্ৰহ্মপুত্ৰ মণ্ডলৰ বাবে কাতি মাহৰ দ্বিতীয় পষেক উপযুক্ত সময়।

৪) শদিয়া মহকুমাৰ বাবে 'সোণালিকা' জাতটো আহিনৰ দ্বিতীয় পষেকৰ ভিতৰত সিঁচিব লাগে।

৫) সোণালিকা, ইউপি-২৬২, কে-৭৪১০, ডব্লিউ-এইচ ২৯১ আৰু এইচ ডি আৰ ৭৭। পাহাৰীয়া অঞ্চলৰ বাবে উপৰোক্ত জাত কেইটাৰ উপৰিও ডব্লিও এল-৪১০ জাতটোও অনুমোদন জনোৱা হৈছে।

৬) এবিঘা মাটিৰ বাবে ১৬-১৭ কিঃ গ্ৰাঃ বীজৰ প্ৰয়োজন।

৭) শাৰীৰ পৰা শাৰীলৈ ২০ চেঃ মিঃ দূৰত্বত নাঙলেৰে লোৰ কৰি ৩-৫ চেঃ মিঃ দ'ত বীজবোৰ সিঁচি ঢাকি দিব লাগে।

৮) বৰষুণৰ ওপৰত নিৰ্ভৰশীল খেতিত বিঘাইপ্ৰতি ১২ কিঃ গ্ৰাঃ ইউৰীয়া, ১৭ কিঃ গ্ৰাঃ চুপাৰ ফচফেট আৰু ৪ কিঃ গ্ৰাঃ মিউৰিয়েট অৱ পটাছ অসমৰ সকলো অঞ্চলৰ বাবে প্ৰযোজ্য।

৯) জলসিঞ্চনৰ ব্যৱস্থা থাকিলে অসমৰ সকলো অঞ্চলৰ বাবে সাৰৰ পৰিমাণ বেলেগে অনুমোদন জনোৱা হৈছে। কৃষি সম্প্ৰসাৰণ বিষয়াৰ পৰা জানি লব।

১০) সমুদায় সাৰ বীজ সিঁচাৰ আগতে লোৰ বিলাকত ছটিয়াই ভালদৰে মাটিৰ লগত মিহলি কৰি বীজ সিঁচিব। অন্যথা লোৰ কৰাৰ আগতেই গোটেই মাটিডৰাত সাৰ ছটিয়াই ভালকৈ মিহলি কৰি ললেও হ'ব।

**বৰোধান ঃ**

১) জাত ঃ

| জাতসমূহ | সিঁচাৰ সময় | ৰোৱাৰ সময় | উপযুক্ত অঞ্চল |
|---|---|---|---|
| বৰো-১ | ১৫ কাতিৰ পৰা ১৫ আঘোণ | পুহ-মাঘ | পাহাৰীয়া অঞ্চলৰ বাদে সকলোতে |
| বৰো-২ | ঐ | ঐ | ঐ |
| দীননাথ | ঐ | ঐ | ঐ |
| স্বনাৰ্ভ | ঐ | ঐ | ঐ |
| কনকলতা | আঘোণৰ পৰা ১৫ পুহ | ঐ | উত্তৰ মণ্ডল আৰু পাহাৰীয়া অঞ্চলৰ বাদে সকলোতে |
| জয়মতী | ১৫ কাতিৰ পৰা ১৫ পুহ | ঐ | নামনি অসম আৰু মধ্য অসম |

২) এবিঘা মাটিৰ বাবে ৫ কিঃ গ্ৰাঃ বীজৰ প্ৰয়োজন।

৩) ৪ ফুটবহল আৰু ৩০ ফুট দীঘলকৈ চিতাচিত কৰা একোখন বীজতলীৰ মাজত ১ ফুটব্যৱধান ৰাখিব।

৪) এবিঘা মাটিৰ বীজ সিঁচিবৰ বাবে ৬-৭ খন তেনে বীজতলীৰ প্ৰয়োজন। বীজবোৰ এনেভাৱে সিঁচি যাতে আটাইকেইখন তলীত সমান পৰিমাণৰ বীজ পৰে। কঠীয়া তলীবোৰত সদায় জীপ ৰখাৰ ব্যৱস্থা কৰিব।

৫) পানীত ডুবাই ওপঙি যোৱা পতানবোৰ পেলাই দি ভাল বীজখিনি টুকি লৈ তলত উল্লেখ কৰা ঔষধত ২৪ ঘণ্টা তিয়াই থোৱাৰ পিচত গজালি ওলাবৰ বাবে গাপ দিব।

| ঔষধ | ঔষধৰ পৰিমাণ | পানীৰ পৰিমাণ |
|---|---|---|
| কাৰ্বক্সিন | ২ গ্ৰাম | ১ লিটাৰ |

১ কিঃ গ্ৰাম বীজ শোধন কৰিবৰ বাবে ১ লিটাৰ ঔষধ মিশ্ৰণ পানীৰ প্ৰয়োজন।

**সৰিয়হ ঃ**

**পোকৰ আক্ৰমণ ঃ**

১) মাঘ বিহুৰ আগত শীতকালৰ নিয়ৰ আৰু কিনকিনীয়া বৰষুণ মোৱা পোকৰ আক্ৰমণৰ আৰম্ভণি। লগতে সৰিয়হত ফুটি পোকেও আক্ৰমণ কৰে।

২) তলত দিয়া ঔষধেৰে মোৱা পোক আৰু ফুটি পোক নিয়ন্ত্ৰণ কৰিব পাৰে।

| ঔষধৰ নাম | বিঘাই প্ৰতি | হস্ত চালিত স্পেয়াৰত পানী | শক্তিচালিত স্পেয়াৰত পানী |
|---|---|---|---|
| ক) ক্লৰপাইৰিফচ ২০ ইচি | ৭০ মিঃ লিঃ | ৭০-১০০ লিঃ | ৩০-৪০ লিঃ |

* **অৰবাংকি হোৱা অঞ্চলত কেৱল সৰিয়হ নকৰি অন্যান্য শস্যৰ খেতিও কৰিব লাগে। তেতিয়া অৰবাংকিৰ সমস্যা দূৰ হ'ব। ২-৩ বছৰৰ পিচত পুনৰ সৰিয়হৰ খেতি কৰিব পাৰি।**

* **সৰিয়হৰ উৎপাদন বৃদ্ধি কৰিবলৈ হ'লে মৌ পালন কৰি লাগে। এবিঘাৰ বাবে এবাহ মৌ যথেষ্ট।**

**ড° ৰণজিৎ কুমাৰ সাউদ**

## উদ্যান শস্য

শীতকালীন শাক-পাচলিৰ পুলিবাৰীত পুলি গজাবৰ বাবে এডোখৰ ৰ'দ ঘাই ওখ বালিচহীয়া মাটি বাছনি কৰিব লাগে।

পুলিবাৰীৰ ভেটিটো এফুট (৩০ চেঃ মিঃ) ওখ,বহল তিনি ফুট (১ মিটাৰ) আৰু দীঘ কৃষকৰ সুবিধানুযায়ী পাতিব লাগে।

পুলিবাৰীত বীজ সিঁচাৰ আগতে বীজবোৰ প্ৰতি কিলোগ্ৰাম বীজত ৩ গ্ৰাম কেপটাফ বা থিৰাম ঔষধেৰে শোধন কৰি লব লাগে যাতে মাটিত জন্ম লোৱা বেমাৰৰ বীজাণুৱে আক্ৰমণ কৰিব নোৱাৰে।

পুলিবাৰীত বীজ সিঁচাৰ আগতে বীজবোৰ মাটিত থকা পোক-পৰুৱাৰ আক্ৰমণৰ পৰা ৰোধ কৰিবৰ বাবে ১০ বৰ্গ মিটাৰ ভেটিৰ (দীঘ ১০ মিটাৰ আৰু বহল ১ মিটাৰ) মাটিত ১০০ গ্ৰাম মালাথিয়ন ৫ শতাংশ পাউদাৰ সমভাৱে ছটিয়াই লব লাগে। পুলিবাৰীত পুলিবোৰ গুৰি পচা বেমাৰৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ হলে, বীজ সিঁচাৰ আগতে ভেটিৰ মাটিখিনি এক শতাংশ কেপটান বা ফাইটলেন দৰবৰ মিশ্ৰণেৰে (এক গ্ৰাম দৰব এক লিটাৰ পানীত মিহলাই) বা ৪০ মিঃ লিটাৰ ফৰমেলিন ঔষধ এক লিটাৰ পানীত মিহলাই তৈয়াৰ কৰা মিশ্ৰণেৰে ৪-৫ ইঞ্চিমান ( ১০-

*(৪ পৃষ্ঠাৰ ১ কলমত চাওক)*

(৩ পৃষ্ঠাৰ ৫ কলমৰ পৰা)

## উদ্যান শস্য

১২ চেঃমিঃ) দলৈকে তিতি যোৱাকৈ শোধন কৰিব লাগে।

পুলিবাৰীত বীজবোৰ আবেলি পৰত সিঁচিব লাগে আৰু সমভাৱে জিঞ্জিৰিৰে পানী দি কলপাত বা পাতল বস্তাৰে এদিন বা দুদিন ঢাকি বীজবোৰ ফাটিলেই তাক আঁতৰাই দিব লাগে।

পুলিবাৰীৰ ভেটিত জীপ ৰাখিবৰ বাবে পাতলীয়াকৈ নিয়মীয়াভাৱে পানীৰ যোগান ধৰিব লাগে।

পুলিৰ বয়স ২০-২৫ দিন হলেই (পিয়াজৰ ক্ষেত্ৰত ৩০-৩৫ দিন) ভেটিত এবাৰ পানী দি ১০-১৫ মিনিটৰ পাচত পুলিবোৰ উঠাব লাগে।

শাক-পাচলি শস্যৰ প্ৰথম প্ৰধান কৃষি কাৰ্য্যবোৰ তলত দাঙি ধৰা হ'ল -

**ফুলকবি ঃ**

মূল বতৰত খেতি কৰাৰ সঁচ - ইম্প্ৰুভ জাপানিজ, পুচা চিনথেটিক, পুচা স্ন'বল, মেইন ক্ৰপ পাটনা, স্ন'বল - ১৬ ইত্যাদি।

শেহতীয়া বতৰৰ বাবে সঁচ - স্ন'বল - ১৬, পুচা স্ন'বল, কে - ১, হিচাৰ - ১, ইত্যাদি।

বীজৰ পৰিমাণ - মূল বতৰৰ সঁচ - বিঘাইপ্ৰতি ৫০ গ্ৰাম, শেহতীয়া বতৰৰ সঁচ - বিঘাই প্ৰতি ৮০ গ্ৰাম।

**বীজ সিঁচাৰ সময় -** ছেপ্তেম্বৰ - অক্টোবৰ। শেহতীয়া বতৰৰ সঁচ- অক্টোবৰ - নবেম্বৰ।

**সাৰৰ পৰিমাণ -** বিঘাই প্ৰতি গোবৰ ১০ কুইন্টল।

ইউৰীয়া ২২ কিলোগ্ৰাম, একক চুপাৰ ফচফেট ৫০ কিলোগ্ৰাম, মিউৰিয়েট অৱ পটাছ ১১ কিলোগ্ৰাম, বৰাক্স - ১ কিলোগ্ৰাম।

**সাৰ প্ৰয়োগ -** ইউৰীয়া সাৰৰ আধা ভাগ অৰ্থাৎ ১১ কিঃ গ্ৰাঃ ৰাখি বাকীখিনি সাৰ গোবৰৰ সৈতে শেষৰ বাৰ হাল মাৰিবৰ সময়ত প্ৰয়োগ কৰিব লাগে। বাকী থকা ১১ কিঃ গ্ৰাঃ পুলিবোৰাৰ এমাহৰ পাচত গছৰ গুৰিত প্ৰয়োগ কৰিব লাগে।

**বন্ধাকবি ঃ** হ্ৰস্বকালীন সঁচ - গল্ডেন একৰ, প্ৰাইড অৱ ইণ্ডিয়া, চুপাৰ এক্সপ্ৰেছ।

দীৰ্ঘকালীন সঁচ- ড্ৰামহেড, ইক্লিপছ ড্ৰামহেড ইত্যাদি।

**বীজৰ পৰিমাণ ঃ** হ্ৰস্বকালীন সঁচ - বিঘাই প্ৰতি ১০০ গ্ৰাম। দীৰ্ঘকালীন বিঘাই প্ৰতি ৬০ গ্ৰাম।

**বীজ সিঁচাৰ সময়** - হ্ৰস্বকালীন - ছেপ্তেম্বৰ - অক্টোবৰ। দীৰ্ঘকালীন - অক্টোবৰ - নবেম্বৰ।

**সাৰৰ পৰিমাণ** - সাৰৰ পৰিমাণ ফুলকবিৰ সৈতে একে।

**ওলকবি ঃ** সঁচ - হোৱাইট ভিয়েনা।

বীজৰ পৰিমাণ - বিঘাইপ্ৰতি ১৫০ - ১৬০ গ্ৰাম।

**বীজ সিঁচাৰ সময়** - ছেপ্তেম্বৰ মাহৰ পৰা নবেম্বৰ মাহলৈ।

**সাৰৰ পৰিমাণ আৰু সাৰ প্ৰয়োগ** - ফুলকবি আৰু বন্ধাকবিৰ সৈতে একে।

**বিলাহী ঃ** সঁচ - পঞ্জাৱ চোহৰা, পঞ্জাৱ কেশৰী, এচ - ১২, পুচা আৰ্লি ডোৱাৰ্ফ, পুচা ৰুবি, চিউ, ভি চি ৪ - ৮ - ১, আৰ্কা আভা, আৰ্কা আলোক, ৰূপালী, মঙ্গলা, অবিনাশ ইত্যাদি।

**বীজৰ পৰিমাণ** - বিঘাই প্ৰতি ৯০ - ১০০ গ্ৰাম।

**বীজ সিঁচাৰ সময়** - ছেপ্তেম্বৰৰ পৰা নবেম্বৰলৈকে।

**সাৰৰ পৰিমাণ** - বিঘাই প্ৰতি ১০ কুইন্টল গোবৰ, ইউৰীয়া ২০ কিঃ গ্ৰাঃ, একক চুপাৰ ফচফেট - ৫০ কিঃ গ্ৰাঃ, মিউৰিয়েট অৱ পটাছ ১৪ কিঃ গ্ৰাঃ।

**সাৰ প্ৰয়োগ-** আধা ভাগ ইউৰীয়া সাৰ ৰাখি বাকীখিনি সাৰ গোবৰৰ সৈতে শেষৰ বাৰ হাল বোৱাৰ আগতে মাটিত প্ৰয়োগ কৰি হাল বাব লাগে। ৰাখি থোৱা ইউৰীয়া খিনি পুলি ৰোৱাৰ এমাহৰ পাচত গছৰ গুৰিত প্ৰয়োগ কৰিব লাগে। নতুবা সাৰ ভাগ আকৌ দুভাগ কৰি এবাৰ ৫ কিঃ গ্ৰাঃ সাৰ ৫০০ লিটাৰ পানীত মিহলাই পুলি ৰোৱাৰ ৩০ দিনৰ পাচত আৰু বাকীখিনি ৪০ দিনৰ পাচত ছটিয়াব লাগে।

**গাজৰ ঃ** সঁচ - নানটিজ, চাটনি, পুছা কেশৰ।

**বীজৰ পৰিমাণ** - বিঘাইপ্ৰতি ৬০০ - ৯০০ গ্ৰাম।

**বীজ সিঁচাৰ সময়** - অক্টোবৰৰ পৰা নবেম্বৰ মাহলৈ।

**সাৰৰ পৰিমাণ** - বিঘাই প্ৰতি ২ কুইন্টল গোবৰ, ইউৰীয়া ৮ কিঃ গ্ৰাঃ, একক চুপাৰ ফচফেট - ২০ কিঃ গ্ৰাঃ, মিউৰিয়েট অৱ পটাছ ১৫ কিঃ গ্ৰাঃ।

**সাৰ প্ৰয়োগ-** আধা ভাগ ইউৰীয়া সাৰ ৰাখি বাকীখিনি সাৰ গোবৰৰ সৈতে শেষৰ বাৰ হাল বাওতে মাটিত প্ৰয়োগ কৰিব লাগে। বাকী থকা ইউৰীয়া সাৰ বীজ সিঁচাৰ এমাহৰ পিচত দুটা শাৰীৰ মাজত প্ৰয়োগ কৰিব লাগে।

**বেঙেনা ঃ** পুচা ক্ৰান্তি, পুচা পাৰ্পল লং, পুচা পাৰ্পল ৰাউণ্ড, পুচা পাৰ্পল ক্লাষ্টাৰ, পুচা ভৈৰৱ, কল্যানপুৰ, জেচি - ১, জেচি - ২, বৰবেঙেনা ইত্যাদি।

**থলুৱা সঁচ -** খৰুৱা বেঙেনা, ছাগলী শিঙিয়া, কলি বেঙেনা, কুৰীয়া বেঙেনা ইত্যাদি।

**বীজৰ পৰিমাণ** - বিঘাই প্ৰতি ৯০ - ১০০ গ্ৰাম।

**বীজ সিঁচাৰ সময় -** মাঘ - ফাগুণত ফল চপাবৰ বাবে ছেপ্তেম্বৰ - অক্টোবৰ, বহাগ - জেঠত চপাবৰ বাবে জানুৱাৰী - ফেব্ৰুৱাৰী।

**সাৰৰ পৰিমাণ -** বিঘাই প্ৰতি গোবৰ ১০ কুইন্টল, ইউৰীয়া ১৫ কিঃ গ্ৰাঃ একক চুপাৰ ফচফেট - ৪০ কিঃ গ্ৰাঃ মিউৰিয়েট অৱ পটাছ -১২ কিঃ গ্ৰাঃ

সাৰ প্ৰয়োগ কৰাৰ পদ্ধতি বিলাহীৰ সৈতে একে। মাত্ৰ বেঙেনাত ইউৰীয়া সাৰ পানীত মিহলাই পাতত ছটিয়াব লাগে।

**ড° ৰাজেন্দ্ৰ প্ৰসাদ দাস**
(অৱসৰী অধ্যাপক, অঃকৃঃবিঃ)

(২ পৃষ্ঠাৰ ৫ কলমৰ পৰা)

## ঘৰতে আলুৰ কঠীয়া ..

মিঃলিঃ প্ৰতি লিটাৰ পানীত মিহলাই স্প্ৰে কৰক।

◆ ঔষধ প্ৰয়োগ নকৰাকৈ এই পতঙ্গ নিবাৰণৰ বাবে হালধীয়া ৰঙৰ যিকোনো ডাঠ কাগজ বা টিনৰ ওপৰত গেৰেজত ব্যৱহাৰ কৰা গ্ৰীজ বা মবিল সানি পথাৰত আলুৰ গছৰ উচ্চতাত পুতি ৰাখক।

◆ হালধীয়া ৰঙে এফ্ৰিদ আকৰ্ষণ কৰে আৰু আঠাযুক্ত ফলকখনত লাগি ধৰে।

◆ আলুৰ ভেটিত কোনো ধৰণৰ ফাক বা ফাট দেখা পালে ততালিকে মাটি চপাই দিয়ক।

◆ শস্যডৰা পূৰ্ঠ হ'লে গছৰ গুৰিতে কাটি দি আলু ৭-১০ দিন মান মাটিৰ তলতে ৰাখক।

◆ আলুখিনি চপোৱাৰ পাছত ভালদৰে ছাঁত শুকুৱাৰ ব্যৱস্থা কৰক।

◆ ডাঙৰ, মজলীয়া, সৰু আকাৰ হিচাপে আলুখিনি ভাগ ভাগ কৰি ৰাখক।

◆ একেবাৰে ডাঙৰ আৰু সৰু আলুখিনি খাবলৈ ব্যৱহাৰ কৰক।

◆ মজলীয়া আকাৰৰ আলুখিনি লৈ বৰিক এচিডৰ মিশ্ৰণত ( ৩০০ গ্ৰাম বৰিক এক লিটাৰ পানী) ৩০ মিনিট সময়ৰ বাবে ডুবাই ৰাখি ছাঁত ভালদৰে শুকুৱাই লৈ ভঁৰালত ৰখাৰ ব্যৱস্থা কৰক।

◆ পৰিশোধন কৰা আলুৰ বীজ শুকুৱাবৰ বাবে ৩ সপ্তাহ মানৰ সময় লাগিব পাৰে। ছাঁত শুকুৱা অতি প্ৰয়োজন।

◆ ঘৰতে থলুৱাভাৱে ৰাখিবলৈ ছাংঘৰ নাইবা শুকান বালিত ৰাখিব পৰা যায়।

◆ মাজে মাজে কঠীয়াৰ বাবে ৰখা আলুত মালাথিয়ন পাউদাৰ ব্যৱহাৰ কৰিব পাৰে।

◆ খাদ্যৰ বাবে সংৰক্ষণ কৰা আলুত কোনো ৰাসায়নিক ব্যৱহাৰ কৰিব নালাগে।

◆ খোৱাৰ বাবে ৰখা আলুত নিমপাত বা ইউকেলিপ্‌টাছ গছৰ পাত আলুৰ বীজৰ মাজত ৰাখিব পাৰে।

◆ মাজে মাজে আলুবিলাক পৰীক্ষা কৰক আৰু গেলা-পঁচা আলু দেখিলে আঁতৰাই ৰাখক।

◆ আগষ্ট মাহত গজালি ওলোৱা আলুৰ পৰা গজালি ভাঙি পেলাওক।

◆ সাধাৰণতে বীজৰ বাবে ৰাখিবলৈ শীতল ভঁৰালৰ আৱশ্যক।

◆ থলুৱাভাৱে নিৰ্মিত খেৰৰ ছালিৰ ঘৰত কম পৰিমাণৰ আলু সংৰক্ষণ কৰিব পৰা যায়।

◆ উপৰোক্ত পদ্ধতিৰে নিজৰ বাবে কঠীয়া উৎপাদন আৰু সংৰক্ষণ কৰিব পৰা যায়।

**ড° মৃণাল শইকীয়া**

(১ পৃষ্ঠাৰ·৫ কলমৰ পৰা)

## 'অমৃত সৰোবৰ' নিৰ্মাণৰ ..

অনুষ্ঠানত অসম মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাসে এই আঁচনিৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভণি কৰে। 'অমৃত সৰোবৰ' আঁচনিৰ মহান উদ্দেশ্য হৈছে ভৱিষ্যতৰ বাবে পানী সংৰক্ষণ কৰা। অনুষ্ঠানত কেন্দ্ৰটোৰ মূৰব্বী ড° আব্দুল হাফিজ, পূব মঙ্গলদৈ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া গুবিন্দ কলিতাৰ লগতে বিভিন্ন খণ্ডৰ বিশিষ্ট ব্যক্তিসকল আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

(৩ পৃষ্ঠাৰ·১ কলমৰ পৰা)

## মাহেকীয়া সমস্যা নিৰাময়ত.

বুকুৰ ধপধপনি বঢ়া ইত্যাদি। সেউজীয়া শাক-পাচলি যেনে - কচু শাক, মৰিচা শাক, চজিনা পাত, পালেং শাক ইত্যাদি পূৰাকল, কলডিল, মাহ, শুকান ফল-মূল, মাছ, মাংস আদি গ্ৰহণ কৰি এনিমিয়াৰ লগতে অত্যাধিক ৰক্তস্ৰাৱো প্ৰতিৰোধ কৰিব পাৰি।

◆শৰীৰত ভিটামিন 'এ'ৰ অভাৱ হ'লেও অত্যাধিক ৰক্তস্ৰাৱ হ'ব পাৰে। চিজ, মাখন, কণী, গাঢ় সেউজীয়া শাক-পাচলি, লিভাৰ, কমলা ৰঙৰ ফল-মূল আৰু পাচলি আদিত প্ৰচুৰ পৰিমাণে পোৱা ভিটামিন 'এ' যুক্তআহাৰ গ্ৰহণ কৰি অত্যাধিক ৰক্তস্ৰাৱৰ সমস্যাৰ পৰা মুক্তি পাব পাৰি।

◆নিয়াচিনে মাহেকীয়াৰ সময়ত হোৱা সিৰামূৰি উপসম কৰাত সহায় কৰে। ই 'বি' ভিটামিন পৰিয়ালৰ সদস্য। মাছ, মাংস, কণী, গাখীৰ, গোটা শস্য আদি হৈছে নিয়াচিনৰ উত্তম উৎস।

◆'বি' ভিটামিনসমূহে হৰমনৰ বিভিন্ন কাৰ্যত সহায় কৰাৰ উপৰিও এনিমিয়া প্ৰতিৰোধ কৰে আৰু মানসিক চাপ দূৰ কৰে। গাখীৰ, মাছ, মাংস, কণী, বাদাম, সেউজীয়া শাক-পাচলিত 'বি' ভিটামিন পোৱা যায়।

◆ভিটামিনে 'ই'ক টকফেৰলচ্ বুলিও কোৱা হয়, ই মানসিক স্থিৰতা আনে, মাহেকীয়া নিয়মীয়া কৰে আৰু মাহেকীয়াৰ সময়ত হোৱা পেটৰ বিষ দূৰ কৰে। ভিটামিন 'ই' যুক্ত কিছুমান খাদ্য হৈছে - সেউজীয়া শাক-পাচলি, ভেজিটেবুল অইল, কণীৰ কুসুম ইত্যাদি।

◆ ভিটামিন 'বি' (থায়মিন) আৰু মেগনেছিয়ামে মাহেকীয়াৰ সময়ত হোৱা অত্যাধিক পেটৰ বিষ (বেদনাদায়ক মাহেকীয়া) দূৰ কৰে। জন্তুৰ অংগৰ মাংস (লিভাৰ, কিড্‌নি, মগজু), মাহজাতীয় খাদ্য, বাদাম, উখোৱা চাউল আদি হৈছে ভিটামিন 'বি' যুক্ত কিছুমান খাদ্য। আনহাতে গোটা শস্য, বাদাম, মাহ, গাঢ় সেউজীয়া শাক-পাচলি হৈছে মেগনেছিয়াম সমৃদ্ধ খাদ্য।

এই লেখাটোত মহিলাসকলে সাধাৰণতে মাহেকীয়াৰ সময়ত সন্মুখীন হোৱা সমস্যাসমূহ আৰু খাদ্যই কেনেধৰণে সমস্যাসমূহ সমাধানত সহায় কৰে এই বিষয়ে উল্লেখ কৰা হ'ল। কিন্তু এই সমস্যাসমূহে যদি জটিলতাৰ সৃষ্টি কৰে তেনেহ'লে চিকিৎ,কৰ পৰামৰ্শ গ্ৰহণ কৰাটো অত্যন্ত আৱশ্যকীয়।

**শ্ৰীমতী মৃদুস্মিতা বৰঠাকুৰ**

(১ পৃষ্ঠাৰ·৩ কলমৰ পৰা)

## জনজাতীয় স্বাধীনতা সংগ্ৰামীৰ

কৰাৰ লগতে শিক্ষাৰ্থীসকলেও অনুষ্ঠান পৰিবেশন কৰে। এই অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক তপন কুমাৰ গোহাঁই, সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° প্ৰসন্ন কুমাৰ পাঠক, ছাত্ৰ কল্যাণ সঞ্চালক ড° ৰাণা প্ৰতাপ ভূঞা, স্নাতকোত্তৰ শিক্ষা সঞ্চালক ড° অনুপ কুমাৰ দাস, সহযোগী সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° ৰণজিৎ কুমাৰ সাউদ, সহযোগী কৃষি গৱেষণা সঞ্চালক ড° মৃণাল শইকীয়াৰ লগতে বিশ্ববিদ্যালয়ৰ বিভাগীয় মূৰব্বীসকল, অধ্যাপকসকল, গৱেষক-বিজ্ঞানী আৰু শিক্ষাৰ্থীসকল উপস্থিত থাকে।

## পশুধন আৰু হাঁহ-কুকুৰাত চেপ্তেম্বৰ-অক্টোবৰ মাহত কৰিব লগা টীকাকৰণ

**পশুধন / হাঁহ-কুকুৰা** — **দিব লগা ছিটা**

১) গৰু, ছাগলী, ম'হ, গাহৰি ঃ
ক) খুৰাফটা ৰোগৰ ছিটা - ৬-৮ সপ্তাহৰ ওপৰৰ সকলো পশুধনত।
খ) গলফুলা ৰোগৰ ছিটা - সকলো বয়সৰ পশুধনত।
গ) জহৰবাত ৰোগৰ ছিটা - ৬-২৪ মাহ বয়সৰ পশুধনত।
(এই ছিটাসমূহ বানপানীৰ পৰৱৰ্তী সময়ত দিব লগা ছিটা, বানপানীৰ পূৰ্ববৰ্তী সময়তো এপ্ৰিল-মে' মাহত এই ছিটাসমূহ দিব লাগে)।

২) গাহৰি ঃ
ক) কলেৰাৰ ছিটা - ২ মাহ বয়সৰ ওপৰৰ সকলো গাহৰিত।
(বছৰৰ অন্যান্য সময়তো এই ছিটা দিব পাৰি আৰু বছৰত এবাৰকৈ দিব লাগে)।

৩) কুকুৰা ঃ
ক) ব্ৰইলাৰ কুকুৰা ঃ ১)ৰাণীখেত ছিটা - ৫-৭ দিন বয়সত।
২)গাম্বৰু বা আই.বি.ডি ছিটা - ১৩-১৪ দিন বয়সত।
(দুয়োবিধ ছিটা ব্ৰইলাৰৰ বয়স অনুসৰি বছৰৰ সকলো সময়তে দিব লাগে)।
খ) কণীপৰা জাতৰ কুকুৰা ঃ ১)ৰাণীখেত ছিটা = ৫-৭ দিনত।
২)গাম্বৰু ছিটা = ১৩-১৪ দিনত।
৩)ৰাণীখেত ছিটা = ২৮-৩০ দিন বয়সত।
৪)ৰাণীখেত ছিটা = ৮-৯ সপ্তাহ বয়সত
(ছিটাসমূহ কুকুৰাৰ বয়স অনুসৰি বছৰৰ অন্য সময়তো দিব লাগে)।

**বছৰেকীয়া বৰঙণি ঃ** ১০.০০ টকা। **প্ৰতিখনৰ মূল্য ঃ** ১.০০ টকা। **প্ৰকাশৰ স্থান ঃ** অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট - ১৩। সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° প্ৰসন্ন কুমাৰ পাঠকৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত। অসম কৃষি বিশ্ববিদ্যালয় অফছেট ছপাশাল, যোৰহাট - ১৩ ত মুদ্ৰিত। **মুখ্য সম্পাদক ঃ** ড° ৰণজিৎ কুমাৰ সাউদ